বিষয়ে শৰ্মাপাঠকে কৰা এইষাৰ মন্তব্য মানি ল'ব পৰা নাযায়। কাৰণ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্পসমূহলৈ লক্ষ্য কৰিলে ধাৰণা কৰিব পাৰি যে, গল্পৰ আঙ্গিক কৌশলৰ দিশত ভট্টাচাৰ্য অতি সচেতন আৰু সফল লেখক। চুটিগল্প সফল হ'বলৈ হ'লে ভাবৰ ঐক্য আৰু ধাৰণাৰ ঐক্য একান্ত প্ৰয়োজনীয়।[৬০] ভট্টাচাৰ্যৰ গল্পত ভাব আৰু ধাৰণাৰ ঐক্য ক'তো বিনষ্ট হোৱা দেখা নাযায়। সেইদৰে সফল চুটিগল্পত ঘটনাৰ গতি তীব্ৰ সঞ্চাৰী কৰি তোলা হয়।[৬১] ভট্টাচাৰ্যৰ গল্পৰ ঘটনাৰ বৰ্ণনাতো তীব্ৰ সঞ্চাৰী গঁতি অনুভূত হয়।

ভট্টাচাৰ্যৰ গল্প এটা দিশত ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পৰ সমধৰ্মী। সেই দিশটো হৈছে ভাব আৰু ঘটনাৰ ঐক্যকেন্দ্ৰিকতাৰ বাবে গল্পৰ গীতিধৰ্মী গুণ বিশিষ্টতা। ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত সাধাৰণতে ঘটনা আৰু ভাবৰ ঐক্যকেন্দ্ৰিকতা আছে আৰু সেইবাবে গল্পবোৰত সাংগীতিক আবেদন এটা অনুভূত হয়।[৬২] সি যি কি নহওক চুটিগল্প হিচাপে বহুবোৰ গুণবিশিষ্টতা আহৰণ কৰিব পৰা দিশত ভট্টাচাৰ্যৰ গল্পই আমেৰিকান প্ৰসিদ্ধ গল্পলেখক এড্‌গাৰ এলেন পোৰ গল্পৰ ওচৰ চাপিব খোজে। এলেন পোৰ জীৱন সম্পৰ্কে দৃষ্টিভঙ্গী গতানুগতিক নহয়; ই যথেষ্ট গভীৰ আৰু জটিল।[৬৩] ভট্টাচাৰ্যৰ চুটি গল্পত জীৱন সম্পৰ্কীয় এনে গভীৰ আৰু জটিল দৃষ্টিভঙ্গী ক্ৰমশঃ গভীৰ হৈ অহা দেখা যায়। এই ক্ষেত্ৰত ''চাম'ন অন দি মাউণ্ট'' (প্ৰকাশ, ৩য় বছৰ, ৩য় সংখ্যা) গল্প উৎকৃষ্ট নিদৰ্শনৰূপে আঙুলিয়াব পাৰি। মুঠতে ৰামধেনু যুগৰ গল্পকাৰ সকলৰ ভিতৰত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই অসমীয়া চুটিগল্পক আঙ্গিক কৌশলৰ উপৰিও বৌদ্ধিক দিশতো বহু পৰিমাণে গভীৰতা দান কৰিলে আৰু এই গভীৰতাৰ পটভূমিতে উত্তৰ ৰামধেনু যুগত অসমীয়া চুটি গল্পৰ অধিক বিকাশ সাধিত হৈছিল।